প্ৰতি,

সম্পাদক মহোদয়

সম্ভাষণ গ্ৰহণ কৰিব।

অনুগ্ৰহ কৰি নিম্ন লিখিত বাতৰিটো আপোনাৰ বহুমূলীয়া কাকতযোগে প্ৰকাশ কৰি বাধিত কৰিব।

প্ৰেৰক--

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ

# ৰাষ্ট্ৰপতি ভৱনৰ "গ্ৰন্থ কুটীৰ"ত অসমীয়া ভাষা-সাহিত্যৰ জয়যাত্ৰা

**গুৱাহাটী, ২৪ জানুৱাৰী, ২০২৬ ঃ** ৰাষ্ট্ৰপতি ভৱনৰ পৰিসৰত কালি সন্ধিয়া মুকলি হোৱা "গ্ৰন্থ কুটীৰ"ত স্থান লাভ কৰা কেইবাখনিও সাঁচিপতীয়া পুথিয়ে অসমীয়া ভাষাৰ ধ্ৰুপদী গৰিমাত নতুন ৰহণ সানিছে। উল্লেখযোগ্য যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত ইতিমধ্যে অসমৰ বিভিন্ন সত্ৰানুষ্ঠান তথা সুধীজনৰপৰা সংগৃহীত পাঁচখন প্ৰাচীন সাঁচিপতীয়া পুথিকে ধৰি মুঠ আঠখন সাঁচিপতীয়া পুথিয়ে "গ্ৰন্থ কুটীৰ"ত স্থান লাভ কৰিছে। কালি সন্ধিয়া মাননীয় ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু ডাঙৰীয়ানীয়ে উদ্বোধন কৰা "গ্ৰন্থ কুটীৰ"ত অসমীয়াকে ধৰি দেশৰ মুঠ ১১টা ধ্ৰুপদী ভাষাৰ প্ৰাচীন পুথি, পাণ্ডুলিপি আৰু অন্যান্য সাহিত্য সম্ভাৰক সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানটিত অংশগ্ৰহণ কৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ আগত অসমৰ সাঁচিপতীয়া পুথিৰ ঐতিহ্যৰ বিষয়ে ব্যাখ্যা কৰে। অনুষ্ঠানত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দন দেৱগোস্বামী, শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ বুঢ়া ভকত সোণাৰাম শৰ্মা, নগাঁৱৰ কুঁজিসত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামী, লখিমপুৰৰ বিষ্ণু চন্দ্ৰ গোস্বামী, নীলকমল গোস্বামী আৰু মৃদু মৌচম বৰাকে ধৰি সাঁচিপতীয়া পুথিসমূহৰ কেইবাগৰাকী দাতাই অংশগ্ৰহণ কৰে। এই সম্পৰ্কত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে শাস্ত্ৰীয় ভাষাসমূহত সঞ্চিত জ্ঞান-সম্পদে গৌৰৱময় অতীতৰ পৰা শিক্ষা ল'বলৈ আৰু উজ্জ্বল ভৱিষ্যৎ গঢ়িবলৈ প্ৰেৰণা দিয়ে।

মন কৰিবলগীয়া যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ পৰামৰ্শক্ৰমে সাঁচিপতীয়া পুথি সংগ্ৰহৰ প্ৰক্ৰিয়াত কলাক্ষেত্ৰ সমাজে গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰৰ নেতৃত্বত অসমৰ বিভিন্ন স্থানৰপৰা "দশম", "ভক্তি ৰত্নাৱলী", "কীৰ্তন ঘোষা", "নাম ঘোষা" আৰু "গীত গোৱিন্দ" সাঁচিপতীয়া পুথিসমূহ দানসূত্ৰে সংগ্ৰহ কৰি ৰাষ্ট্ৰপতি ভৱনক অৰ্পণ কৰা হৈছে। ইফালে, "গ্ৰন্থ কুটীৰ" প্ৰকল্পৰ নডেল বিষয়াৰ দায়িত্ব বহন কৰিছে আন এগৰাকী অসম-সন্তানে। তেওঁ হৈছে ৰাষ্ট্ৰপতি ভৱনৰ সংগ্ৰহালয়ৰ উপ সঞ্চালক পংকজ প্ৰতিম বৰদলৈ। সেই সূত্ৰে তেওঁলোকৰ নিৰলস প্ৰয়াস আৰু সুধীজনৰ সহযোগিতাৰ সুফলৰূপে অসমীয়া ভাষা-সাহিত্যই এনে এক স্বীকৃতি লাভ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে আৰু ইতিমধ্যে ধ্ৰুপদী স্বীকৃতি লাভ কৰা অসমীয়া ভাষাৰ গৰিমাৰ অসামান্য উত্তৰণ ঘটিছে।

সম্প্ৰতি "গ্ৰন্থ কুটীৰ"ত মুঠ আঠখন সাঁচিপতীয়া পুথিৰ লগতে অসমীয়া ভাষাৰ তিনি শতাধিক যুগজয়ী সাহিত্য সম্ভাৰক স্থায়ীভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি লেখন সামগ্ৰীৰ ৰূপত সাঁচিপাত প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াটোক গ্ৰন্থ কুটীৰত দৃশ্য-শ্ৰব্য মাধ্যমেৰে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।